# ছাত্ৰী জীৱন গিৰিধি আৰু কলিকতাত

প্ৰথমতে বেথুনত ঠাই বিচাৰি দৰ্খাস্ত দিয়া হৈছিল। সেই বছৰত বেথুনত ঠাই নোপোৱাত বিহাৰৰ গিৰিধি ছোৱালী স্কুললৈ ঠাইৰ কাৰণে দৰ্খাস্ত দিয়া হ'ল।

গিৰিধি স্কুলত আমি ঠাই পালোঁ। ছোৱালীৰ কাৰণে সেই ঠাইত স্কুলখন প্ৰথম খোলা হৈছিল। সেইকাৰণেই নেকি কব নোৱাৰো, আমাক পৰীক্ষা কৰি চাই আমি বিচৰা মতেই আমাৰ বাই-ভনী দুয়োকে অষ্টম আৰু সপ্তম শ্ৰেণীত ভৰ্ত্তি হবলৈ দিলে।

আমাৰ সমস্যা হ'ল—কেনেকৈ অকলে আইক এৰি গিৰিধিলৈ পঢ়িবলৈ যাওঁ। আয়ে বৰ ককাইদেউক বিয়া কৰাবলৈ ধৰিলে। বোধকৰো আমাক পঢ়িবলৈ যাবলৈ সুবিধা দিবৰ কাৰণেই। ককাই-দেৱে অৱশেষত বিয়া কৰাবলৈ মান্তি হ'ল। ১৯১২ চনৰ জেঠত ককাইদেউৰ বিয়া হোৱাৰ পিচতে আমি পঢ়িবলৈ বুলি গিৰিধিলৈ যাবলৈ ঠিক-ঠাক কৰিবলৈ ওলালোঁ। আইৰ লগত নবৌ থাকিব পাৰিব বুলি ভাবি শান্তিৰে বিদেশত পঢ়িবলৈ যাব পাৰিম বুলি মনতে ভাবিলো। এতিয়া আমাক কোনে গিৰিধিত থবলৈ যাব, সেইটোৱে হ'ল ডাঙৰ সমস্যা।

সেই সময়ত কলিকতালৈ যাবলৈ হলে ৰেল-জাহাজ দুইটাতে উঠিব লাগিছিল, যাওঁতে বোধকৰো তিনিদিনমানকৈ লাগিছিল।

কলিকতাৰ পৰা গিৰিধিলৈ ৰেলেৰে যাব লাগিছিল। আয়ে আমাৰ ভিনিহিদেউ আৰু ডাক্তৰ চলিহা ককাইদেউক কলে, "ছোৱালী দুজনীক গিৰিধিত পঢ়াবলৈ স্থিৰ কৰা হৈছে, স্কুলত ঠাই পোৱা হৈছে কিন্তু এতিয়া সিহঁতক কেনেকৈ পঠাব পাৰো তাকে চিন্তা কৰিছোঁ। দায়িত্বপূৰ্ণ আপোন মানুহ নাপালে কেনেকৈ সিহঁতক বিদেশলৈ পঠাম?" তেওঁবিলাক দুজনে সুধিলে, "আপোনালোকে পঢ়াবলৈ পঠোৱা ঠিক কৰিলে নেকি? (দেউতাৰ কথা সুধিলে) তেখেতে কি কৈছে?" আয়ে কলে যে দেউতাৰ পঢ়োৱাত মত আছে। তেওঁবিলাকে কলে, "বৰ ভাল কথা। আপোনাসকলে যেতিয়া সমাজৰ বাধা স্বত্বেও ছোৱালীক বিদেশত পঢ়াবলৈ আগবাঢ়িছে আমিও আপোনালোকক এই কামত সহায় কৰিম! এসপ্তাহৰ ছুটী লৈ আমি দুইজনে তেওঁবিলাকক স্কুলত থৈ আহিম গৈ। আমাৰ জনাশুনাৰ ভিতৰত আৰু কোনোবাই যদি ছোৱালীক পঢ়াবলৈ পঠায় তাৰো আমি খবৰ কৰিম।"

কেপ্টেইন সুৰেন দত্তৰ দেউতাক গোপাল দত্ত, ভিনিহিদেউ-হঁতৰ বৰ বন্ধু আছিল। তেখেতে তেতিয়া টিমন বাগিচাৰ মেনেজিং ডাইৰেক্টৰ আছিল। ভিনিহিদেউহঁতে তেখেতৰ ছোৱালী কলিকতাত পঢ়াবলৈ পঠাবনে বুলি সোধাত আৰু আমি পঢ়িবলৈ যোৱা কথা কোৱাত তেখেতে আমাৰ লগত নিজৰ জীয়েক সৰস্বতীক পঠাবলৈ ওলাল। সৰস্বতীৰ বয়স তেতিয়া ৯।১০ বছৰমান আছিল।

যথা সময়ত আমি গিৰিধিলৈ যাবলৈ ওলালো। আমি পঢ়িবলৈ যোৱা কথা ৰাষ্ট্ৰ হৈ পৰিল। সকলোৱে আই-দেউতাৰ এই কাৰ্য্যত হৰি হৰি কৰিলে। "এতিয়ানো ছোৱালীক পঢ়িবলৈ বিদেশলৈ পঠায়নে? মাক-বাপেক হাল নিশ্চয় বলিয়া হৈছে" আদি মন্তব্য কৰিলে।

দেউতা-আয়ে নিজৰ মতৰ লৰচৰ নকৰিলে। সৰস্বতী, বাগিচাৰ পৰা আহি হোজাই ষ্টেচনত আমাৰ লগ লাগিল। ভিনিহিদেউহঁতৰ লগত আমি কলিকতালৈ যাত্ৰা কৰিলো।

আমি যিদিনা কলিকতা পালোগৈ, সেইদিনা গধূলিয়েই গিৰিধিৰ ৰেলত গিৰিধিলৈ যাবলৈ উঠিলো। আমাক তিৰোতাৰ ডবাত তুলি দি ভিনিহিদেৱে গাড়ীৰ ওচৰত থিয় হৈ এগৰাকী ভদ্ৰমহিলাক চিনাকি কৰি দি কৈছিল, "এখেত তোমালোকৰ লগতে যাব, মোৰ বৰ চিনাকি। মই ধুবুৰীত কাম কৰোতে এখেতসকলৰ ঘৰৰ লগত বৰ অহা-যোৱা আছিল। এখেত মিচ্ হিৰন্ময়ী সেন, (দেউতাকৰ নাম কৈছিল, মই পাহৰি গলো)। মিচ সেনে তোমালোক পঢ়িবলৈ যোৱা স্কুলতে সহকাৰী প্ৰধান শিক্ষয়িত্ৰীৰ কাম পাই স্কুলত যোগদান কৰিবলৈ আহিছে। মই তোমালোকৰ কথা তেখেতক কৈছোঁ। তেখেতে তোমালোকৰ সকলো দায়িত্ব লব, একো ভয় নকৰিবা।" মোৰ তেতিয়া এটা কথা মনত পৰিল—মই যেতিয়া সৰুতে কলিকতাত পঢ়িবলৈ গৈছিলো, হিৰণ দিয়ে বেথুনত দ্বিতীয় বাৰ্ষিক এফ-এ ক্লাছত পঢ়িছিল। হেমপ্ৰভা বাইদেৱে প্ৰথম বাৰ্ষিকত পঢ়িছিল। হিৰণ দিয়ে মোক চিনাকি দিয়াত চিনি পালে। পিচদিনা ৰাতিপুৱা গিৰিধি পালোগৈ। হিৰণ দিৰ লগতে আমি স্কুলৰ হোষ্টেলত উঠিলোগৈ।

হিৰণ দিয়ে ভিনিহিদেউহঁতৰো খোৱামেলাৰ সুবিধা কৰি দিলে। প্ৰথমদিনা আমাৰ কাৰণে স্থানীয় ভদ্ৰলোক এজনৰ ঘৰতে খোৱাবোৱাৰ বন্দোৱস্ত কৰিছিল। তেওঁ স্কুলৰ গভৰ্ণিং বডিৰ সভ্য আছিল। তেওঁৰ নাম শৰ্শী বাবু বোলা মনত আছে। গধূলিৰ পৰাহে স্কুলৰ হোষ্টেল খোলা হৈছিল। আমিয়েই প্ৰথম স্কুলৰ হোষ্টেললৈ গৈছিলো। আমাক স্কুলত থৈয়ে সেই একেদিনাই দুপৰীয়াই ভিনিহিদেউহঁতে কলিকতালৈ উভতিছিল। যাবৰ সময়ত আমাক মাত লগাবলৈ অহাত আমাৰ মনৰ অৱস্থা যে কেনেকুৱা হৈছিল এতিয়াও মনত পৰিলে দুখ লাগে। সৰস্বতীয়ে আকৌ উভতি ঘৰলৈ যাবলৈ বিচাৰি কান্দিবলৈ ধৰিলে। ভিনিহিদেউহঁতে মোকেই বিশেষকৈ উদ্দেশ্য

কৰি কলে, 'ৰাজবালা আইটি, তুমি কিন্তু মন ডাঠ কৰিব লাগিব, তুমিয়েই পঢ়িবলৈ আহিবলৈ ইমানকৈ বিচাৰিছিলা। কাৰণেই তোমালোকক ইয়ালৈ অনা হ'ল। ভয় নকৰিবা, আগৰ দৰে দৃঢ় প্ৰতিজ্ঞ হৈ পঢ়াত লাগি যোৱা সকলো ঠিক হৈ যাব।" মই নিজৰ মনৰ দুখ দেখুৱাবলৈ বৰ লাজ পাইছিলোঁ। কিন্তু তেওঁবিলাকৰ বিদায়ৰ সময়ত চকুৰ পানীৰে বাট নেদেখা হৈছিলোঁ।

ভিনিহিদেউহঁত যোৱাৰ পিচত হিৰণ দিয়ে আমাক ওচৰত বহুৱাই বহুত বুজালে। ইমানদূৰ অসমৰ পৰা গিৰিধিত পঢ়িবলৈ যোৱা কথা ভাবি হিৰণ দিয়েও আমাৰ কাৰণে অনুভৱ কৰিছিল। হিৰণদিহঁতৰ ঘৰ ধুবুৰীত। তেখেতসকলৰ পৰিয়ালে ব্ৰাহ্ম ধৰ্ম্ম গ্ৰহণ কৰিছিল; গতিকে হিৰণ দি আৰু তেখেতৰ বায়েক মৃন্ময়ী দিয়ে উচ্চ শিক্ষা গ্ৰহণ কৰিব পাৰিছিল। তেখেতসকলৰ বিয়া-বাৰু নহ'ল।

গিৰিধি বৰ খোলা ঠাই। এ'কে ঠাইতে স্কুল হোষ্টেল নাছিল। সেই খোলা মাঠত এঠাইত স্কুল ঘৰ, এঠাইত কেৰাটাও হোষ্টেল ঘৰ। সৰু সৰু ঘৰবোৰ; ওপৰত খোলাকাটিৰ চাল। থাকিবলৈ প্ৰথমতে ভাল নাপাইছিলো। গিৰিধিতে প্ৰথম ডিব্ৰুগড়ৰ নিচিনাকৈ কুঁৱাৰ পানী ব্যৱহাৰ কৰা দেখিলো। পানীবোৰ বৰ ভাল। যিটো হোষ্টেলত হিৰণদি আছিল, তাতেই তেখেতে আমাক থাকিবলৈ দিছিল।

যথাসময়ত আমাক পৰীক্ষা কৰি চাই মোক অষ্টম শ্ৰেণীত আৰু ভনীজনীক সপ্তম শ্ৰেণীত ভৰ্ত্তি কৰি দিলে। সৰস্বতী নিচেই তল ক্লাছত ভৰ্ত্তি হ'ল।

গিৰিধিত এবছৰ পঢ়ি আমি তিনিউজনীয়ে প্ৰমোচন পালো। মই দ্বিতীয় হৈ প্ৰমোচন পাইছিলো। স্কুলৰ হেড মাষ্টৰৰ জীয়েক ইন্দিৰাই প্ৰথম স্থান অধিকাৰ কৰিছিল। গিৰিধিত ইমান বতাহ মাৰে গৰম কালি, দুপৰীয়া ঘৰৰ ভিতৰত দুৱাৰ বন্ধ কৰি থাকিব লগাত পৰে। তেতিয়া ৰাতিপুৱা স্কুলৰ ক্লাছ

হয়। মোৰ ভনী সুৰবালাৰ কেইমাহমানৰ ভিতৰতে বৰ টান বেমাৰ হ'ল। হুপিং কাহ হৈ তেওঁ উঠিবকে নোৱৰা হ'ল। ঘৰলৈ খবৰ দিবলৈ কোৱাত মই টেলিগ্ৰাম কৰি জনালোঁ। আই-দেউতাই ডাক্তৰ চলিহা ককাইদেউক পঠাই দিছিল বৰ ভয় কৰি। তেওঁ গিৰিধিত মাত্ৰ এদিন আছিল। তাইক চাই দৰব দি আহিছিল, তাৰ পিচতে কাহ কমিল।

পিচৰ বছৰত আমি ট্ৰেন্সফাৰ লৈ বেথুনত পঢ়িবলৈ কলিকতালৈ গলো।

১৯১৫ চনত বেথুনৰ পৰা মেট্ৰিক পৰীক্ষা দি মই প্ৰথম বিভাগত পৰীক্ষা পাছ কৰো। মোৰ ভনীয়ে পিচৰ বছৰত প্ৰথম বিভাগত মেট্ৰিক পাছ কৰিছিল। অসম চৰকাৰে আমাক ২০ টকাকৈ বৃত্তি দিছিল। এদিন বেথুন স্কুলৰ প্ৰধান শিক্ষয়িত্ৰী সুৰবালা সিংহই মোক মাতি নি বৃত্তি পোৱা খবৰ দিছিল। মই কিন্তু বৃত্তিৰ কাৰণে দৰ্খাস্ত কৰা মনত নপৰিছিল। অসমৰ ছোৱালীয়ে বিদেশত পঢ়ি পাছ কৰাৰ কাৰণেই বোধকৰো অসম চৰকাৰে আমাক বৃত্তি দিছিল। পিচৰ বছৰত ভনীজনীয়েও বৃত্তি পাইছিল। আমাৰ সময়ত বেথুন স্কুলত বৰ কঢ়া নিয়ম আছিল। স্কুলৰ বাহিৰৰ বাৰাণ্ডালৈ ছোৱালীক যাবলৈ নিদিছিল। স্কুলৰ চাৰিখন ডাঙৰ ডাঙৰ বাছ আছিল, ঘোঁৰাৰে টনা। কম্পাউণ্ডৰ পিচফালে ঘোঁৰাৰ আস্তাবল আছিল। সেই বাছেৰে বাহিৰৰ ছোৱালীক স্কুললৈ আনা-নিয়া কৰিছিল। যিবিলাক অভিভাৱকৰ নিজৰ গাড়ী আছিল, তেওঁবিলাকে নিজৰ গাড়ীৰেই ছোৱালীক স্কুললৈ অনা-নিয়া কৰিছিল। হোষ্টেলত থকা ছোৱালীবোৰক বন্ধত সেই বাছেৰে শিক্ষয়িত্ৰী সকলে জুগাৰ্ডেন, বটানিকেল গাৰ্ডেনত ফুৰাবলৈ নিছিল। কেতিয়াবা নিউমাৰ্কেটলৈও নিছিল। স্কুলৰ বন্ধা নিয়মৰ ভিতৰেদি হোষ্টেলৰ ছোৱালীয়ে চলিব লগাত পৰিছিল।

বেথুন স্কুলৰ হোষ্টেলত থকা ছোৱালীয়ে স্কুলৰ পৰা আহিয়েই চাৰি বজাতে ৰাতিৰ সাজ ভাত খাব লাগে। কম্পাউণ্ডৰ ভিতৰৰে বননিত ভাত খোৱা হলে অলপ ফুৰিবলৈ দিয়ে। বেডমিণ্টন খেলিবলৈও দিয়ে। ছোৱালীবিলাকৰ গাড়ী অহাত বেলি হলে আমাৰ লগত (হোষ্টেলত থকাবিলাকৰ লগত) খেলাত যোগদান কৰে। কুসুম কুমাৰী বোসে মোৰ লগত পঢ়িছিল। বাছ নহালৈকে তেওঁ মোৰ লগত কথা পাতি বননিত তহল দিবলৈ বৰ ভাল পাইছিল। তেওঁৰ কথা ইয়াত উনুকিয়াই থোৱাৰ মানে হল মোৰ পিচৰ জীৱনতো তেওঁ মোৰ পৰম বন্ধু হিচাপে পৰিচয় দিছিল। ছয় বজাৰ ঘণ্টা পৰিলেই ভিতৰলৈ আহিব লাগে। নিজৰ নিজৰ পঢ়া পঢ়ি-বলৈ বহিব লাগে। তাকে 'ষ্টাদি ক্লাছ' বোলে। এগৰাকী মাষ্টৰণীয়ে সদায় ষ্টাদি ক্লাছত ছোৱালীক ৰখা নিয়ম। বেথুন হোষ্টেলত থাকি আমি ভালেই পাইছিলোঁ। অসমৰ ছোৱালী বুলি ভাবি আমাক শিক্ষয়িত্ৰীসকলে মৰমৰ চকুৰে চাইছিল, আমিও সদায় নিয়ম ৰক্ষা কৰি চলিছিলোঁ।

ইমান কম সময়তে আমি প্ৰথম বিভাগত মেট্ৰিক পাছ কৰা জানি ডিব্ৰুগড়ৰ সকলো মানুহে আচৰিত মানিলে। বহুতৰ ধাৰণা আছিল আমি পঢ়িব নোৱাৰি উভতি যাব লগাত পৰিব বুলি আৰু তেতিয়াহে আই-দেউতাৰ জ্ঞান জন্মিব, ছোৱালীক বিদেশত পঢ়াবলৈ পঠোৱাৰ পৰিণামৰ বিষয়ে।

আয়ে আমাক কৈছিল, তেওঁ বিয়া-সবাহলৈ কেতিয়াবা গ'লে, তিৰোতাসকলে তেওঁক আমাৰ কথা সুধি বিব্ৰত কৰি তুলিছিল। তেওঁবিলাকে সুধিছিল--কি ভাবিনো আই-দেউতাই আমাক কলিকতাত পঢ়াবলৈ পঠাইছিল, আমি পঢ়িব নোৱাৰিলে কি কৰিব, ইত্যাদি।

কিন্তু আমাৰ মেট্ৰিক পাছ কৰাৰ দ্বাৰাই অভিভাৱকসকলৰ অন্তৰত ছোৱালীক পঢ়োৱাৰ বিষয়ে প্ৰশ্নৰ উদয় হল।

কিছুদিনৰ পিচতে গুণাভিৰাম বুৰবাৰ জীয়েক গৌৰীপ্ৰভা, শশীপ্ৰভাই গিৰিধিৰ স্কুলত পঢ়িবলৈ গ'ল। গৌৰীপ্ৰভাই গিৰিধিৰ স্কুলৰ পৰা মেট্ৰিক পাছ কৰি, ডাৰচেচন কলেজৰ পৰা বি-এ পাছ কৰি ডিব্ৰুগড় ছোৱালী হাইস্কুলত সহকাৰী প্ৰধান শিক্ষয়িত্ৰী হৈছিল। সেই সময়ত হেমপ্ৰভা বাইদেউ সেই স্কুলত প্ৰধান শিক্ষয়িত্ৰী আছিল। ১৯১৮ চনত ডিব্ৰুগড়ত ছোৱালী হাইস্কুল হয়। গৌৰীপ্ৰভাৰ স্বৰ্গীয় ভৰত চলিহাৰ লগত বিয়া হয়। হেমপ্ৰভা বাইদেৱে কামৰ পৰা অৱসৰ লোৱাৰ পিচত গৌৰীপ্ৰভাই সেই স্কুলত প্ৰধান শিক্ষয়িত্ৰীৰ বাব পায়। গৌৰীয়ে ১৯২৩ চনত বি-এ পাছ কৰা যেন লাগে।

আমি বেথুন স্কুলত পঢ়ি থাকোতেই ডিব্ৰুগড়ৰ স্বৰ্গীয় গোপালপুৰী ভূঞাই তেখেতৰ জীয়েক কনকলতা ভূঞাক বেথুনৰ স্কুলত ভৰ্ত্তি কৰি দিছিল। তেখেতে সেই সময়ত জলপাইগুৰিৰ জমিদাৰৰ তাত দেৱান কাম কৰিছিল। তেখেতৰ পৰিয়াল ডিব্ৰুগড়ত আছিল। কনকলতা ভূঁঞা সম্বন্ধত মোৰ ভাগিনী হয়। দেউতাৰ বায়েকৰ জীয়েকক গোপালপুৰী ভূঁঞালৈ বিয়া দিছিল। প্ৰথমতে ভূঁঞা ভিনিহিদেৱে অসমত চৰকাৰী কামত আছিল। কিন্তু সেই কাম এৰি দি তেখেতে জলপাইগুৰিত কিছুমান দিন কাম কৰিছিলগৈ।

ছোৱালীক স্কুলত দিয়াৰ পৰাই তেখেতে নিজৰ জীয়েকৰ লগত আমাকো হোষ্টেলৰপৰা মাজেসময়ে (জলপাইগুৰিৰ পৰা আহি) ফুৰিবলৈ লৈ গৈছিল। কলিকতাত থকা অসমীয়া মানুহৰ ঘৰলৈকে বেছিকৈ নিছিল। সেই সময়ত স্বৰ্গীয় ৰমাকান্ত বৰকাকতিয়ে কলিকতাৰ হাইকোৰ্টত ট্ৰেনশ্লেটাৰ কাম কৰিছিল। তেখেতৰ পৰিয়াল কলিকতাতে আছিল। তেখেতৰ জীয়েক সুধালতা বুৰবা, সুখলতা বুৰবাই বেথুন স্কুলত মোতকৈ এবছৰৰ ওপৰত পঢ়িছিল।

ভূঁঞা ভিনিহিদেৱে আমাক শিবৰাম বৰাৰ ঘৰলৈ এবাৰ লৈ গৈছিল। কৰ্ণেল শিবৰাম বৰাৰ পৰিবাৰৰ লগত আমাক দেখা সাক্ষাৎ কৰাই দিছিল। মিছেচ্ বৰাই আমাৰ লগত হেনাহুচাকৈ অসমীয়া কথা কেইটামান পতা মনত পৰে। সেই সময়ত তেওঁৰ লগত তেওঁৰ দুজনী জীয়েক ডলী, মণি আৰু পুতেক সুৰেন আছিল। সুৰেনে মেডিকেল কলেজত ডাক্তৰী পঢ়িছিল। আমি যোৱাদিনা তেওঁবিলাকৰ ঘৰত কিছুমান মেডিকেল ছাত্ৰৰ সমাগম দেখিছিলো— নানা গান-বাজনা চলিছিল, মিছেচ বৰাই পিয়ানোত বহি পিয়ানো বজোৱা দেখিছিলো।

ডিব্ৰুগড়ৰ আনন্দ বৰদলৈ বোলা মেডিকেল ছাত্ৰ এজনে ব্ৰহ্ম সংকীৰ্ত্তন গোৱা শুনিছিলো। কিৰণ সেন বোলা আন এজন ছাত্ৰই বঙালী গান গাইছিল। ডলী আৰু মণিয়ে মাকৰ লগত পিয়ানোৰ ওচৰত গান গাইছিল। ডাক্তৰ জ্যোতিশ্চন্দ্ৰ দাসকো তেওঁবিলাকৰ ভিতৰত দেখিছিলো। মণিয়ে আমাক টানিটুনি বৰ আমনি কৰিছিল, অসমীয়া গান গাবলৈ আমাক ধৰিছিল আৰু ছাত্ৰসকলৰ লগত আমাক চিনাকি কৰি দিছিল। আমি এক কোণত নিৰ্ব্বাক হৈ বহি থাকিলো। আমাৰ দুৰ্দশা দেখি ভূঁঞা ভিনিহিদেৱেই তেওঁবিলাকক ইংৰাজী গান গাই শুনাইছিল। আমাক তেওঁবিলাকে বৰ গাঁৱলীয়া বুলি ভাবিছিল। ফিৰিঙি সমাজত আমাক কেনেকৈ সহ্য কৰিব পাৰিব। সেইদিনাৰ পিচত আমি আৰু তেওঁবিলাকৰ ঘৰলৈ যোৱা নাই। কিন্তু ডায়োচান কলেজত পঢ়োতে প্ৰায়ে মণিৰ লগত দেখা হৈছিল। মণিয়ে ডাৱচেচন স্কুলত মেট্ৰিক পঢ়িছিল আমি বেথুনত পঢ়ি থাকোতেই গোলাঘাটৰ ঘনশ্যাম বৰুৱাৰ জীয়েক শশীপ্ৰভা আৰু যোৰহাটৰ দুৰ্য্যোধন বৰুৱাৰ জীয়েক হেমাঙ্গিনীয়ে বেথুন স্কুলত পঢ়িবলৈ যায়।

মেট্ৰিক পাছ কৰি উঠিয়েই মোৰ সাধাৰণ স্বাস্থ্য বেয়া হবলৈ ধৰিলে। চকুৰ অসুখ হয়; মাজে মাজে জ্বৰ উঠি থাকিবলৈ

ধৰিলে। মোক আই-এ পৰীক্ষা দিবলৈ সকলোৱে হাক দিলে। এবছৰ নষ্ট যাব বুলি ভাবি মৰণত শৰণ দি পৰীক্ষাটো দিলো। কিন্তু ফল ভাল নহল। পিচৰ বছৰত মই ডাৱচেচন কলেজত পঢ়িবলৈ গ'লো। মোৰ ভনীজনীয়েও আই-এ পৰীক্ষা এবাৰ নিদিলে। মই ডাৱচেচন কলেজৰ পৰা আই-এ প্ৰথম বিভাগত পাছ কৰিলো। আকৌ অসম চৰকাৰৰ পৰা ২০ টকাকৈ স্কলাৰশ্বিপ পালোঁ।

বেথ্‌নৰ পৰা যেতিয়া ডাৱচেচন কলেজত পঢ়িবলৈ যাওঁ আমি কলেজ হোষ্টেলত ঠাই নাপালোঁ। ডাৱচেচন কলেজত তেতিয়া ছিষ্টাৰ মেৰী ভিক্তৰীয়া অধ্যক্ষা আছিল। তেওঁ বোলে লৰ্ড পৰিয়ালৰ আছিল। মহিলাগৰাকীক দেখিলে বেচ শ্ৰদ্ধা জন্মে। দেখাত ওখই-পাখই সভাশুৱনী আছিল। 'নান'ৰ পোছাক পিন্ধিছিল। আমাক থবলৈ সেইবাৰ আমাৰ ককাইদেউ ৰজনীকান্ত বৰুৱা গৈছিল। ককাইদেউৰ লগত তেওঁ ভালকৈ কথাবতৰা পাতি দুখ প্ৰকাশ কৰি কলে যে হোষ্টেলৰ ঠাই পূৰ্ণ হৈ গ'ল, আমাক ঠাই দিব নোৱাৰাত তেওঁ নিজেই বৰ বেয়া পাইছে কাৰণ ইমানদূৰ অসমৰপৰা আমি পঢ়িবলৈ গৈছিলোঁ। তেওঁ আমাক কলেজত ভৰ্ত্তি কৰি দিবলৈ কলে আৰু অলপদিন বাহিৰত থকাৰ ব্যৱস্থা ককাইদেৱে কৰি দিব পাৰিলে হোষ্টেলত ঠাই ওলোৱা মাত্ৰে তেওঁ আমাক নিজৰ হোষ্টেললৈ লৈ আহিব বুলি কলে। ককাইদেৱে তেনেকুৱা ব্যৱস্থা কৰি দিবলৈ অক্ষম বুলি কোৱাত, তেওঁ আমাক এটা মিশ্যন হোষ্টেলত বন্দোৱস্ত কৰি দিবলৈ গাত ললে। সেই হোষ্টেলত তেওঁৰ কলেজৰ ছোৱালী থাকে। হোষ্টেলটো অলপ দূৰৈত, তাৰপৰা খোজ কাঢ়ি কলেজলৈ অহা-যোৱা কৰা টান হব বুলিও তেওঁ ককাইদেউক কলে। ককাইদেৱে তেওঁকে গাড়ীৰ বন্দোবস্ত কৰি দিবলৈ কোৱাত তেওঁ ৰাজি হ'ল আৰু আমাক কলেজত ভৰ্ত্তি কৰি দিলে। আমাৰ ওপৰত প্ৰিন্সিপালৰ

বৰ চকু। আমি কি কৰিছো নকৰিছো তেওঁ আৰাল চকুৰে চাই থকা আমি ধৰিব পাৰিছিলোঁ। আমাক দেখা মাত্ৰকে গুড মণিং, গুড আফ্টাৰনুন, গুড ইভনিং; যি সময়ত যি খাটে তেওঁ আগতে হাঁহিমুখে কৈ সম্ভাষণ কৰে। আমি প্ৰত্যুত্তৰ সকৰে দিলে তেওঁ গাত ধৰি কয়, "ডিয়েৰ, ছে' গুড মণিং, ইত্যাদি।

আমাক কলেজলৈ অনা-নিয়াৰ যান-বাহনৰ ব্যৱস্থা ছিষ্টাৰ মেৰী ভিক্তৰীয়াই কৰি দিছিল। আমি ফিজৰ লগত সেই ভাৰাৰ টকা দিছিলোঁ।

যিটো হোষ্টেলত আমি আছিলোঁ, সেই হোষ্টেলত তিনি-গৰাকী 'নান' আছিল—ছিষ্টাৰ মেবেল, ছিষ্টাৰ আইৰিণী আৰু ছিষ্টাৰ এগনেচ। তেওঁবিলাকেই হোষ্টেল চলাইছিল। হোষ্টেলত থাকি বেয়া পোৱা নাছিলোঁ, খোৱাও ভাল বুলিয়েই কব পাৰি। ছিষ্টাৰ কেইগৰাকীয়ে আমাক বৰ মৰম কৰিছিল। ছিষ্টাৰ আইৰিণীয়ে প্ৰায়ে মোক মাতি নি তেওঁবিলাকৰ খৃষ্টান ধৰ্ম্মৰ বিষয়ে ব্যাখ্যা কৰি কৈছিল। তেওঁবিলাকৰ 'চেপেল'ৰ ভিতৰলৈ মাতি নি যিশু, মেৰী আদিৰ ছবি দেখুৱাইছিল। খৃষ্টান ধৰ্ম্ম পৃবফাগৰ ধৰ্ম্ম ইত্যাদি নানা কথা বুজাইছিল। মই নীৰৱে তেওঁৰ কথা শুনি গৈছিলো। মনতে মই ভাবিছিলো—তেওঁ মোক কিয় এইবোৰ কথা কবলৈ ইমান ভাল পাইছে। মইতো কেতিয়াও খৃষ্টান নহওঁ। ছিষ্টাৰ আইৰিণীৰ ঘনিষ্ঠতা মোৰ লগত ইমান বাঢ়িবলৈ ধৰিলে যে মই বেদ্মিণ্টন খেলি থকা অৱস্থাৰ পৰা তেওঁ নিজে সেই ঠাইলৈ গৈ মোক মাতি নিছিল।

খেলি থকাৰ পৰা মাতি নিয়াত মই পেটেপেটে বৰ বেয়া পাইছিলো, ছোৱালীবোৰেও জোকাবলৈ ধৰে: "যোৱা তোমাক খৃষ্টান কৰিহে এৰিব" ইত্যাদি। এদিনাখন খেলাৰপৰা-মাতি নি তেওঁ মোক কলে, "খৃষ্টান ধৰ্ম্ম কিমান পৱিত্ৰ। যিশুৱে ধৰ্ম্মৰ কাৰণে নিজৰ জীৱনকে আহুতি দিছিল। তোমালোকৰ

হিন্দু ধৰ্ম্মৰ ভিতৰত কিমান কলঙ্কৰ কথা আছে। কৃষ্ণই গোপিনী-বিলাকৰ লগত কি নকৰিছিল। সেইজন পুৰুষক কেনেকৈ ঈশ্বৰ বুলি মানিব পাৰি"—ইত্যাদি তেওঁৰ কথা শুনি মই তেওঁৰ অসৎ উদ্দেশ্যৰ বিষয়ে ভালকৈ অনুমান কৰিব পাৰিছিলোঁ। মই ভাবিলো—নিশ্চয় এওঁ মোক বৰ অঁকৰা বুলি ভাবি খৃষ্টান ধৰ্ম্ম লোৱাবৰ কাৰণেহে ইমান যত্ন কৰিছে। মই অলপ কঠোৰতা প্ৰকাশ কৰি কলো, "ছিষ্টাৰ, মই ধৰ্ম্মৰ বিষয়ে বিশেষভাৱে আলোচনা কৰা নাই। কৃষ্ণই কিয় তেনেকুৱা কৰিছিল মই সেই আচৰণৰ বিষয়ে আপোনাৰ লগত কেতিয়াও আলোচনা কৰিবলৈ বাধ্য নহও: খৃষ্টান ধৰ্ম্মৰ বিষয়েও মই একো শুনিব নোখোজো। ছাত্ৰী হিচাপে আপোনালোকৰ হোষ্টেলত থাকি পঢ়িবলৈ আহিছোঁ। এনেস্থলত মই ইচ্ছা নকৰো যে আপুনি এইদৰে মোৰ লগত ধৰ্ম্মৰ বিষয়ে আলোচনা কৰি মোক বিব্ৰত কৰিব।" কথাখিনি কৈয়ে মই বহাৰপৰা উঠি খেলাৰ ঠাইলৈ গুচি গ'লো।

সেইদিনাৰ পৰা ছিষ্টাৰ আইৰিণীয়ে মোক দেখিলেও নিজৰ চকু ঘূৰাই লৈছিল।

যি কেইদিন সেই হোষ্টেলত আছিলো, ছিষ্টাৰ আইৰিণীয়ে পাৰিলে মোৰ ছাটোও যেন নগচিৰ। ময়ো পৰাপক্ষত তেওঁৰপৰা দূৰে দূৰে থাকিবলৈ যত্ন কৰিছিলোঁ। তেওঁৰ লগৰ আন দুগৰাকী ছিষ্টাৰৰ মোৰ প্ৰতি ব্যৱহাৰৰ কোনো পৰিবৰ্ত্তনৰ লক্ষণ দেখা নাছিলোঁ। ছিষ্টাৰ মেবেলে কেৱল এদিন মোক সুধিছিল মই বি-এ, পাছ কৰি বৰিছাল মিশ্যন হাইস্কুলত যদি কাম কৰিবলৈ যাও তেওঁ খুব ভাল পাব। মই তেতিয়া সেই বিষয়ে একো কব নোৱাৰো বুলি ক'লো। ছিষ্টাৰ মেৰী ভিক্তৰীয়াই অলপ দিনৰ ভিতৰতে আমাক কলেজ হোষ্টেলত ঠাই দিলে।

কলেজ হোষ্টেলৰ খোৱা বৰ বেয়া পাইছিলোঁ। হোষ্টেলত বেছিভাগ মাংসকে দিয়ে। আমি সৰু কালৰপৰা মাংস নাখাইছিলোঁ। আমাৰ খোৱাত আছিল কেৱল ভাত আৰু

দাইল। ৰাতিপুৱা এটুকুৰা পাউৰুটি আৰু এক পিয়লা চাহ। পৰিজ বুলি চুজি সিজাই দিছিল, তাক খাবৰ কাৰণে গাখীৰ চেনিও দিছিল কিন্তু চুজিবিলাক পোকেৰে ভৰা। ছোৱালী বিলাকক দেখিছিলোঁ, তাকে গাখীৰ চেনি মিলাই খাই পেলায়। কিন্তু সেই বস্তু খাবৰ আমাৰ সাধ্য নহয়। মই আৰু মোৰ ভনীয়ে সেই পৰিজ সদায় বাদ দিছিলো। দুই বজাত লাঞ্চত ভাত, দাইল, মাছ নাইবা নিৰামিষ তৰকাৰী দিছিল। চাৰি বজাত চাহ আৰু পাউৰুটি, ৰুটিত মাখন নিদিছিল। ৮ বজাত ডিনাৰ, তাত প্ৰথমে মাংসৰ চপ, তাৰ পিচত মাংস, ভাত, ডাইল দিছিল। মাংসৰ কাটলেট্ আদিও থাকে। ৰাতিৰ খোৱাত আমি একেবাৰে অনাহাৰে থকা বুলিলেও মিছা কোৱা নহয়। আমাৰ স্বাস্থ্য দিনে দিনে বেয়া হোৱা দেখি ছিষ্টাৰ মেৰী ভিক্টৰীয়াই এগৰাকী ছিনিয়ৰ ষ্টুডেণ্টক মাতি আনি আমাৰ খোৱা চাবলৈ কলে। ডাইনিং হলত ছোৱালীবিলাকৰ কাৰণে চাৰিজনীকৈ বহিব পৰা টেবুলৰ ব্যৱস্থা; প্ৰত্যেক টেবুলতে এজনীকৈ ছিনিয়ৰ ষ্টুডেণ্ট থাকে। ছিষ্টাৰ ভিক্টৰীয়াৰে সৈতে আনবিলাক শিক্ষয়িত্ৰীয়ে হলৰ এমূৰে ওখ মঞ্চত বহি আহাৰ কৰিছিল, মাজে মাজে ছিষ্টাৰে হলৰ ছোৱালীবিলাকৰ টেবুললৈ, ছোৱালীবিলাকে কেনেকৈ খাইছে ডিঙি মেলি চোৱা আমি দেখিছিলোঁ। তেওঁ যিটো চাৱনিৰে চাইছিল আমাৰ দেখিলে বৰ ভয় লাগিছিল। ছিনিয়ৰ ষ্টুডেণ্টজনে আমাৰ বিষয়ে ছিষ্টাৰক জনালে যে আমি মাংস নেখাও। ভিক্টৰীয়াই আমাক মাতি নি মাংস খাবলৈ কলে, বহুত বুজালে। মাংস নাখালে আমাৰ শৰীৰ ভাগি যাব, ইত্যাদি। আমি তেওঁক কলো আমাৰ মাংস খোৱাৰ অভ্যাস নাই, তেওঁ অভ্যাস কৰিবলৈ বুজনি দিলে।

আমি চেষ্টা কৰিও মাংস খাব নোৱাৰিলোঁ। সেই বিষয়ে তেওঁ ছিনিয়ৰ ষ্টুডেণ্টৰ পৰাও জানিলে আৰু নিজেও তেওঁৰ খোৱা ঠাইৰপৰা আমাৰ টেবুললৈ চাই বুজিব পাৰিছিল।

আকৌ আমাক মাতি আনি কিয় মাংস খোৱা নাই সুধিলে। মাংসৰ গোন্ধ পালেই আমাৰ বমি হব খোজে আৰু কোনো-মতেই আমি মাংস খাব নোৱাৰো বুলি কলো; তেওঁ আমাৰ ওপৰত বেচ অসন্তুষ্ট হোৱা বুলি আমি বুজিব পাৰিছিলোঁ।

খোৱাবোৱাৰ ক্ষেত্রত ডাৱচেচন কলেজত আমি বৰ কষ্ট সহ্য কৰিব লগাত পৰিছিল। একোদিন মাংসৰ বাহিৰে একো খাবলৈ নথকাত আমি অনাহ'ৰে থাকিব লগাতো পৰিছিল। নিজৰ মনৰ দুখক নিজেই সান্ত্বনা দিছিলো আমাৰ পঢ়া শেষ কৰি কেনেকৈ হোষ্টেলৰপৰা বাহিৰ হব পাৰিম, তাকেই ভাবিছিলো। মাংস নোখোৱা ছোৱালীয়ে ডাৱচেচন হোষ্টেলত থাকিব নোৱাৰে। যিবিলাকে আগতে মাংস নেখাইছিল পিচত বাধ্য হৈ মাংস খাইছিল। আমি বাই-ভনী দুজনীয়েই মাংস খাব নোৱাৰিছিলো। সৰু কালৰেপৰা আমাৰ বৰ ঘিণ-ঘাণ আছিল গতিকে যেনেতেনে ভাবে আমি যিহকে-তিহকে খাব নোৱাৰিছিলোঁ। বন্ধত ঘৰলৈ যেতিয়া আমি গৈছিলো হোষ্টেলত ইমানদিন খাবলৈ নোপোৱা অৱস্থাত থকাত আমি ঘৰৰ খোৱা প্ৰথমে প্ৰথমে হজমকে কৰিব নোৱাৰিছিলোঁ।

স্বৰ্গীয় লক্ষ্মীনাথ বেজবৰুৱাৰ জীয়েক, অৰুণা মোৰ সহপাঠী আছিল। অৰুণাই তেওঁৰ জেঠপেহাক জাষ্টিচ্ চৌধুৰীৰ ঘৰত থাকি ডাৱচেচন কলেজত পঢ়িছিল। মিছেচ চৌধুৰী আৰু মিছেচ বেজবৰুৱা দুয়ো বাই-ভনী আছিল। অৰুণাৰ লগত মোৰ খুব ঘনিষ্ঠতা নাছিল আন ছোৱালীৰ দৰে তেওঁৰ লগতো বঙলাৰেই কথাবতৰা হৈছিলো। তেওঁ বঙালী সাজ-পোছাক পৰিধান কৰিছিল।

১৯২০ চনত আমি বি-এ পাছ কৰো। সেই বছৰতে অৰুণাৰ শ্ৰীএছ-বি মুখাৰ্জ্জীৰ লগত বিয়া হয়। তেতিয়া শ্ৰীমুখাৰ্জ্জী বৰোদা ষ্টেটৰ ডিৰেক্টৰ আছিল বুলি শুনিছিলো। অৰুণাৰ বিয়ালৈ আমি ডাৱচেচন কলেজৰপৰা গৈছিলো। তেতিয়া

আমি কলেজত বি-টি পঢ়িবলৈ গৈছিলো। জোৰাসাকোত ৰবীন্দ্ৰনাথ ঠাকুৰহঁতৰ ঘৰত অৰুণাৰ বিয়া পতা হৈছিল। বেজবৰুৱাদেৱে কলিকতাত পঢ়া অসমীয়া ছাত্ৰ-ছাত্ৰীসকলক বিশেষভাৱে নিমন্ত্ৰণ কৰিছিল। আমাৰ কলেজৰ পৰা আমি বিয়ালৈ গৈছিলো। আমি এটা উপহাৰ লৈ গৈছিলো কিন্তু বিয়া মণ্ডপ পাই দেখা গল উপহাৰটোৰ ওপৰত নামটো নেলেখাকৈ নিয়া হৈছিল। বিয়াৰ ৰভাত এফালে পুৰুষৰ বহা ঠাই, আনফালে মহিলাৰ বহা ঠাইৰ ব্যৱস্থা কৰা হৈছিল। মোৰ সহপাঠী নলিনী ৰুদ্ৰই (এতিয়া মিছেচ মুখাৰ্জ্জী, তেওঁ শ্বিলঙত আছে) মোক কলে, "চোৱাচোন ইয়াত তুমি কোনোবা অসমীয়া লৰাক চিনি পোৱানে?" মই নাপাও বুলি কোৱাত তেওঁ মোক ডাক্তৰ দাসক দেখুৱাই কলে, "এওঁ অসমীয়া লৰা, ডাক্তৰী পাছ কৰি কলেজত হাউচচাৰ্জেন কাম কৰে। তেওঁৰপৰা এডাল পেন্সিল মোক খুজি আনি দিয়া না, উপহাৰটোত নামটো লিখিবৰ কাৰণে" মই নোৱাৰো বুলি কোৱাত মোক কলে, "অসমীয়া ল'ৰা কাৰণেহে তোমাক কৈছো, মই খুজিলে নিদিবও পাৰে। তুমি অসমীয়া সেতিয়া তোমাক নিশ্চয় দিব। লক্ষ্মীটী, মোক পেন্সিল ডাল আনি দিয়া নাইবা তোমাৰ লগত ময়ো যাম।" মই সেই কাম কৰিব নোৱাৰো বুলি অলপ আঁতৰি গলো। পিচত নলিনীয়ে ডাক্তৰ দাসৰপৰা পেন্সিল খুজি আনি, উপহাৰৰ ওপৰত নাম লিখি পেন্সিল ঘূৰাই দি মোৰ ওচৰলৈ গৈ সকলো খবৰ জনালে আৰু মোক ভৎসনা স্বৰূপে কলে, "তুমি ভাই কিয় এনেকুৱা? তোমাৰ ইমান লাজ কিয়? ভদ্ৰলোকে খোজা মাত্ৰকে মোক পেন্সিলডাল দিলে।" মই মানুহৰ লগত উপযাচি কথা কেতিয়াও নাপাতিছিলো।

অৰুণাৰ বিয়াত ৫০ খন আঞ্জাৰে লুচি খুৱাইছিল। ছাদৰ ওপৰত সকলোকে খুৱাইছিল, অকণি অকণি মলাৰ ভিতৰত আঞ্জা দিছিল। কিমান আঞ্জাৰে আমাক খাবলৈ দিছিল লেখা

নাছিলো কিন্তু ৫০ খন আঞ্জা দিয়াৰ কথা খোৱাৰ ঠাইতে শুনিছিলো।

সেই ছাদৰ একাষে দৰা-কইনাক বহুৱাই বিয়াৰ পিচত তামোল-কটাৰী সলোৱাৰ নিচিনা কিবাকিবি কৰা দেখিছিলো। অৰুণাৰ বন্ধুবিলাকে দৰাৰ লগত কথাবতৰা পাতি ঠাট্টা-তামচা কৰিছিল। মই কিন্তু দৰাক চিনাকি দিবলৈ নগৈ দূৰৈৰপৰা চাই আছিলো। গৌৰীপ্ৰভা দুৱৰাই ( পিচত মিছেচ ভৰত চলিহা ) তেতিয়া ডাৱচেচন কলেজত পঢ়িছিল। আগবাঢ়ি গৈ তেওঁ দৰাৰ লগত কথা পাতিছিল। শ্ৰীমুখাৰ্জ্জীয়ে গৌৰীক কোৱা শুনিছিলো, 'আই এম টেকিং এৱে দি বেষ্ট ফ্লাৱাৰ অব্ আসাম।'

ডাৱচেচন কলেজ হোষ্টেলৰ নিয়ম-কাৰণ বেথুন হোষ্টেলৰ দৰে কঠোৰ নাছিল। চাৰি-পাঁচজনীমান ছোৱালীয়ে একেলগ হলে নিজৰ বজাৰ-সমাৰ কৰিবলৈ দোকান আদিলৈ যাব পাৰিছিল। গধূলি ছয়মান বজাত কিন্তু হোষ্টেলৰ ভিতৰ সোমাব লাগিছিল।

বেথুনত থাকোতে হোষ্টেলৰ ছোৱালীবোৰক কৰ্তৃপক্ষৰ পৰাই সাধাৰণ ব্ৰাহ্ম সমাজত উপাসনাত যোগদান কৰিবলৈ মাজেসময়ে লৈ যোৱা হৈছিল। শাস্ত্ৰী মশাইৰ উপাসনা শুনি আমি বৰ ভাল পাইছিলো। আধ্যাত্মিক ভাবাপন্ন উপাসনাৰে তেওঁ মানুহৰ মন মুগ্ধ কৰি পেলাইছিল। যিদিনাখন সমাজত শাস্ত্ৰী মশাইৰ উপাসনা হব বুলি হোষ্টেলৰ ছোৱালীবিলাকে জানিছিল, ৰাতি চাৰিমান বজাতে উঠি সমাজত তেওঁৰ উপাসনা শুনিবলৈ যাবলৈ সাজু হৈ পৰিছিল। ৰাতিপুৱা ৭ বজাত কোনো উৎসৱৰ উপলক্ষে তেওঁ উপসনাৰ পিচত বক্তৃতা দিয়া মনত পৰে। সেই বক্তৃতা শুনিবলৈ মানুহেৰে ঘৰ ভৰি পৰিছিল। পুৰুষ, তিৰোতা, ছাত্ৰ-ছাত্ৰী সকলোৰে পক্ষে তেওঁৰ বক্তৃতা অতীব প্ৰিয় আছিল।

ডাৱচেচনত পঢ়োঁতে আমি নৱবিধান সমাজলৈ এবাৰনে দুবাৰ যোৱা মনত পৰে।

হোষ্টেলৰ ছোৱালীৰ লগত কেথিড্ৰেল চাৰ্চলৈ দুই-এবাৰ গৈছিলো।

চাৰ্চৰ ভিতৰত আঠুকাঢ়া, বহা, থিয় হোৱা, বহা আসন খনতে কৰিব লগাত বৰ আমনি লাগিছিল।

গীৰ্জাৰ ভিতৰলৈ সোমালে পুৰুষে মূৰৰ টুপী খুলি সোমাব লাগে। তিৰোতা ছোৱালীবিলাকে মূৰত কাপোৰ লব লাগে। অকণ অকণ ছোৱালীবোৰক এটুকুৰা কাপোৰ মূৰত পিন মাৰি দিয়ে। কিয় তেনেকুৱা নিয়ম বুলি সোধাত এগৰাকী খৃষ্টান ছোৱালীয়ে কলে, "তিৰোতাসকলে মূৰ ঢকা মানে তেওঁবিলাকৰ নম্ৰতা প্ৰকাশ কৰা— ভগবানৰ ওচৰত। পুৰুষসকলে খালী মূৰেৰে প্ৰৱেশ কৰাৰ অৰ্থ হৈছে ভগৱানৰ ওচৰত গৰ্ব্ব নেদেখুৱা"

পাদুৰীসকলৰ চাৰমন (sermon) পাঠ বৰ গাম্ভীৰ্য্যপূৰ্ণ লাগিছিল। তেওঁবিলাকৰ ছাৰভিচ শুনি ভাল লাগিছিল।

কলিকতাত পঢ়া অসমীয়া ছাত্ৰসকলৰ ভিতৰত এটি ক্লাব আছিল বুলি শুনিছিলো, আৰু গমো পাইছিলো। তেওঁলোকৰ ভিতৰত মিটিং আদি পাতিলে আমাকো মাতি চিঠি দিছিল। আমি কিন্তু তাত যোগদান কৰা নাছিলো। তেনেকৈ সভা-সমিতিত যোগদান কৰাৰ বিষয়ে আমাৰ অভিভাৱকৰ আপত্তি আছিল বুলি আমি জানিছিলো। আমাৰো মিটিং আদিত যোগদান কৰাৰ সাহ তেতিয়া নাছিল।